**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-08-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক সমাগত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ত দলৰ সংসদীয় পৰিষদৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে এন ডি এৰ সকলো লোকে এই সিদ্ধান্তৰ সমৰ্থন কৰিছে। শ্ৰীনাড্ডাই লগতে কয়, যে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে বিজেপিয়ে সকলো দলৰ সৈতে সমন্বয় ৰক্ষাৰ প্ৰয়াস কৰিছে। বিগত সপ্তাহত এন ডি এৰ সহযোগী দল আৰু বিৰোধী পক্ষৰ দলসমূহৰ সৈতে এই সন্দৰ্ভত যোগাযোগ কৰা হৈছিল বুলি শ্ৰীনাড্ডাই উল্লেখ কৰে।

কালিৰ বৈঠকত সংসদীয় সমিতিৰ অন্যান সদস্যসকলৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকে। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন অহা ৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাৰ এন ডি এৰ সিদ্ধান্তক আদৰণি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে শ্ৰীৰাধাকৃষ্ণনে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা সেৱাত সমৰ্পণ, বিনম্ৰতা আৰু বুদ্ধিমত্তাৰ জৰিয়তে নিজৰ এটা বিশেষ পৰিচয় গঢ়ি তুলিছে। তামিলনাডুত তৃণমূল পৰ্যায়ত বহু কাম কৰাৰ উপৰি সাংসদ আৰু বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল হিচাপে শ্ৰীৰাধাকৃষ্ণনৰ বহু অভিজ্ঞতা আছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে শ্ৰীৰাধাকৃষ্ণন এগৰাকী প্ৰেৰণাদায়ক উপ-ৰাষ্ট্ৰপতি হ'ব পাৰিব বুলি বিশ্বাস ব্যক্ত কৰে।

০০০০০০০০

উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ সামৰণি পেলোৱাৰ পাছত আজিৰ পৰা সীমান্তৰ ৰেংমা বনাঞ্চলৰ পাঁচখন গাঁৱত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান আৰম্ভ কৰিব। দিনৰ ১০ বজাৰ পৰা ৰাণা নগৰ, হাতীডুবি, হালধিবাৰী, দুৰ্গাপুৰ আৰু ১ নম্বৰ মধুপুৰ গাঁৱত আজি প্ৰশাসনে দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান চলাব। এই গাঁও কেইখনৰ ৫৭ টা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰাত ন্যায়ালয়ে আজি পৰ্যন্ত তেওঁলোকক সাময়িকভাৱে সকাহ দিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত আজি পুনৰ শুনানি গ্ৰহণ কৰিব। দ্বিতীয় পৰ্যায়ৰ উচ্ছেদৰ সময়ত আজি যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে প্ৰশাসনে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি বন বিভাগে পিঠাঘাট অঞ্চলৰ প্ৰায় ৩০০ বিঘা মাটি দখল কৰি তামোল বাৰী স্থাপন কৰা হাৰেশ আলী নামৰ লোকজনৰ তামোল বাৰী কাটি তহিলং কৰে। পিঠাঘাট অঞ্চলত চৰকাৰে বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ৰেও অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত কালি উচ্ছেদ চলায়। প্ৰথম দিনাৰ উচ্ছেদ অভিযানৰ সামৰণি পেলোৱাৰ পাছত আজি পুৱা ৮ বজাৰ পৰা অঞ্চলটোত পুনৰ উচ্ছেদ চলোৱা হ'ব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰা হৈছিল। কালি উচ্ছেদ

অভিযানত ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হয়। যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে অঞ্চলটোত আৰক্ষী-নিৰাপত্তাৰক্ষী নিয়োগ কৰা হয়। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা মণ্ডলত ভাগ কৰা হৈছে। দুটা মণ্ডলত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। তদুপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হয়।

oooooooo

অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আৰম্ভণি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। ভাদ মাহক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি তোলে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পূণ্য তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ এই মাহটোক অসমবাসীয়ে অত্যন্ত পবিত্ৰ বুলি গণ্য কৰে। গোটেই মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ নাম প্ৰসংগ অনুষ্ঠিত হয়। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান  মাজুলীৰ সত্ৰ নামঘৰসমূহত কালি সংক্ৰান্তিৰ দিনা ঊষা-কীৰ্তন, খোল-প্ৰসংগ, বৰগীত, গুণমালা-কীৰ্তন আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। জিলাখনৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত কালিৰে পৰা মাহজোৰা নামকীৰ্তনৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানত ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰত কালি সন্ধিয়াৰে পৰা পৱিত্ৰ ভাদ মাহত চাৰি প্ৰসংগীয়া পাল নাম অনুষ্ঠিত হৈছে। ভাদ মাহ উপলক্ষে ঢেকীয়াখোৱা নামঘৰত অগণন ভক্তক আদৰিবৰ বাবে নামঘৰ পৰিচালনা সমিতি সাজু হৈ উঠিছে। তদুপৰি ভক্তসকলৰ সুবিধাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীৰ লগতে স্বেচ্ছাসেৱীসকলে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooooo

**সমাপ্ত**